# **REGIONAL NEWS UNIT**

AKASHVANI :: GUWAHATI

0000000000

**Date : 28-02-2025**
**Time :** 21-25 Hrs

***Assamese Night Bulletin***

***:::::::::::::::::::::::::::::::***

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি গুৱাহাটীৰ খানাপাৰাত নিৰ্মীয়মান ৫ হাজাৰ আসনবিশিষ্ট সন্মিলনকেন্দ্ৰৰ নিৰ্মাণকাৰ্যৰ অগ্ৰগতিৰ বুজ লয়। সন্মিলন কেন্দ্ৰটোত বাগিছা, প্ৰেক্ষাগৃহ, প্ৰদৰ্শনী স্থান, ৰেষ্ট'ৰেণ্ট, কাৰ্যালয় কক্ষ, জিৰণি কক্ষ, অতিথিশালা, অভ্যাৰ্থনা কক্ষ, ব্যায়ামাগাৰ, ব্যৱসায়ীক কেন্দ্ৰ, বহুমুখী ভৱন, ৰাজ্যিক অতিথিশালা কক্ষ, সংবাদ মাধ্যম কক্ষ আদি বিভিন্ন সুবিধা থাকিব। মুখ্যমন্ত্ৰীয়ে নিৰ্ধাৰিত সময়ত যথোচিতভাৱে সন্মিলন কেন্দ্ৰটোৰ নিৰ্মাণকাৰ্য সম্পূৰ্ণ কৰি তুলিবলৈ বিভাগীয় বিষয়াসকলক যাৱতীয় নিৰ্দেশ দিয়ে।

০০০০

অসম বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে আজি ওদালগুৰি জিলাৰ টংলাত ৩খনকৈ দলঙৰ শিলান্যাস কৰে। টংলাৰ বানচেৰিয়াৰ পৰা পশ্চিম হাঁহিনীলৈ যোৱা পথত এখন দলং আৰু ৰতনপুৰৰ পৰা চেনীপাৰা ৰেলৱে পথ সংযোগী দুখনকৈ দলঙৰ শিলান্যাস কৰে। তেওঁ লগতে অসম চৰকাৰৰ শিক্ষা বিভাগৰ অধীনত ডিমাকুছিত অৱস্থিত ভেৰগাওঁ আদৰ্শ বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰীসকলৰ বাবে আৱাসগৃহ নিৰ্মাণৰ আধাৰশিলা স্থাপন কৰে। অনুষ্ঠানত বিটিচিৰ পাৰিষদ অৰ্পনা মেধী, বিজিত গৌৰাৰ লগতে সমাজকৰ্মী শ্যামল সৰকাৰ, জৌশ্ৰাং বড়ো, বিকন চন্দ্ৰ ডেকা উপস্থিত থাকে।

০০০০

নগাওঁ জিলা কাৰ্যালয়ত আজি দিনজোৱা কাৰ্যসূচীৰে অসম গণ পৰিষদ দলৰ সাধাৰণ সভা অনুষ্ঠিত হয়। সমাগত পঞ্চায়ত আৰু ২০২৬ চনৰ নিৰ্বাচনৰ বাবে বিজেপিৰ সৈতে মিত্ৰজোঁটত থকা আঞ্চলিক দলটোৱে প্ৰস্তুতি আৰম্ভ কৰিছে। এই সাধাৰণ সভাত কৃষক পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি পৰেশ চন্দ্ৰ বৈশ্য, দলৰ জ্যেষ্ঠ নেতা তথা প্ৰাক্তন মন্ত্ৰী গিৰিন্দ্ৰ কুমাৰ বৰুৱা, নগাওঁ জিলা সভাপতি মণি মাধৱ মহন্ত, ৰূপহীহাট বিধান পৰিষদৰ সভাপতি জাকিৰ হুছেইন ফৰাজীৰ লগতে দলীয় কৰ্মীসকল উপস্থিত থাকে। সভাই নগাওঁ জিলা কৃষক পৰিষদৰ পৰৱৰ্তী কাৰ্যকালৰ বাবে অৰুণ শইকীয়াক সভাপতি আৰু মৃণাল বৰাক সম্পাদক লগতে প্ৰদীপ কৰ্মকাৰ আৰু জয়নাথ দাসক লৈ এখন সমিতি গঠন কৰে।

০০০০

ৰাজ্যখনৰ সংবাদ জগতত এটা পৰিচিত নাম - নিতুমনি শইকীয়া। উত্তৰ অসমৰ এখন সৰু চহৰৰ পৰা অহা এজন তীক্ষ্ণধী যুৱক এদিন আকাশবাণী গুৱাহাটী কেন্দ্ৰলৈ আহি প্ৰচাৰ মাধ্যমৰ সৈতে কিদৰে জড়িত

হৈছিল আৰু পৰৱৰ্ত্তী কালত কিদৰে ৰাজ্যৰ টেলিভিছন সংবাদ মাধ্যমত নিজৰ পৰিচয় দাঙি ধৰিবলৈ সমৰ্থ হৈছিল সেই বিষয়ে তেওঁৰ নিজৰ মুখেৰেই শুনিবলৈ পাব কাইলৈ নিশা ৮ বাজি ২ মিনিটত আমাৰ দৃষ্টিপাত অনুষ্ঠানত। অনুষ্ঠানটোৰ পৰিকল্পনা, প্ৰযোজনা আৰু সাক্ষাৎ গ্ৰহণ ৰাজীৱ লোচন বৰঠাকুৰৰ।

০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰই অহা দেওববাৰে শোণিতপুৰ জিলাৰ ঢেকিয়াজুলিৰ ত্ৰিমুৰ্তি ভৱনত **দেশৰ কথা দেশৰ গান** শীৰ্ষক এটা  বিশেষ অনুষ্ঠানৰ আয়োজন কৰিছে। এই অনুষ্ঠানত চাইবাৰ অপৰাধ সম্পৰ্কত বক্তৃতা প্ৰদান কৰিব উপ-আৰক্ষী অধীক্ষক পিংকি দাসে। ইয়াৰ পাছতেই জ্যেষ্ঠ সংগীত শিল্পী জে পি দাস আৰু দুৰ্গামিয়ী বৰাই গীত পৰিবেশন কৰিব। সন্ধিয়া ৬ বাজি ৫ মিনিটৰ পৰা নিশা ৮ বজালৈ এই অনুষ্ঠান কেন্দ্ৰৰ মহাবাহু শাখা আৰু ইয়াৰ ফে'চবুক পেজত পোনপটীয়াকৈ প্ৰচাৰ কৰা হ'ব। এই অনুষ্ঠানৰ মাজতে ৬ বাজি ৪৫ মিনিটত সন্ধিয়াৰ আঞ্চলিক বাতৰি আৰু ৭ বাজি ১০ মিনিটৰ বাতৰি প্ৰচাৰিত হ'ব। দেওবাৰে সন্ধিয়া ৭ বাজি ৪৫ মিনিটত প্ৰচাৰ হ'বলগীয়া সংবাদ চলন্তিকাৰ প্ৰচাৰ অৱশ্যে বন্ধ থাকিব।

০০০০

জলবায়ু পৰিৱৰ্তনৰ বিষয়ে সজাগতা বৃদ্ধিৰ উদ্দেশ্যে আজি গুৱাহাটী বিশ্ববিদ্যালয়ত জলবায়ু পৰিৱৰ্তন আৰু সংবাদ মাধ্যমৰ ভূমিকা শীৰ্ষক এটা অনুষ্ঠান অনুষ্ঠিত হয়। বিশ্ববিদ্যালয়খনৰ যোগাযোগ আৰু সাংবাদিকতা তথা পৰিৱেশ বিজ্ঞান বিভাগৰ উদ্যোগত আৰু অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ সহযোগত আয়োজন কৰা এই অনুষ্ঠানত বিভিন্ন সংবাদ সংস্থাৰ ৪০ জনতকৈও অধিক সম্পাদকে অংশগ্ৰহণ কৰে। জলবায়ু পৰিৱৰ্তনে কঢ়িয়াই অনা প্ৰত্যাহ্বান আৰু এইক্ষেত্ৰত সংবাদ মাধ্যমে গ্ৰহণ কৰিবলগীয়া ভূমিকা সন্দৰ্ভত তেওঁলোকে আলোচনা কৰে। এই অনুষ্ঠানত  বিশ্ববিদ্যালয়খনৰ উপাচাৰ্য্য ননীগোপাল মহন্ত মুখ্য অতিথি হিচাপে উপস্থিত থাকি পৰিৱেশ বিষয়ত ৰাজহুৱা সজাগতাক গঢ় দিয়াত সংবাদ মাধ্যমৰ গুৰুত্ব সম্পৰ্কে বহলাই কয়।

০০০০

কেন্দ্ৰীয় হিলাল সমিতি অসমে পৰহিলৈ ৰমজানৰ প্ৰথম ৰোজা আৰম্ভ হ'ব বুলি জানিবলৈ দিয়ে। সমিতিৰ সভাপতি আৰু সম্পাদকে আমাৰ সংবাদদাতাক জনোৱা মতে, আজি সন্ধিয়া অসম তথা দেশৰ অন্য প্ৰান্তত আকাশত ৰমজান মাহৰ জোন দেখা নোযোৱাৰ পৰিপ্ৰেক্ষিতত পৰহিৰ পৰা ৰমজান মাহ আৰম্ভ হ'ব।

০০০০

আই চি চি চেম্পিয়নছ ট্ৰফীৰ ক্ৰিকেট প্ৰতিযোগিতাৰ লাহোৰত অনুষ্ঠিত গ্ৰুপ বিৰ এখন খেলত আজি আফগানিস্তানে নিৰ্ধাৰণ কৰি দিয়া  ২৭৪ ৰানৰ লক্ষ্য অনুসৰণ কৰি অষ্ট্ৰেলিয়াই ১২ অভাৰ ৫ টা বলত এটা উইকেট হেৰুৱাই ১০৯ ৰাণ সংগ্ৰহ কৰাৰ সময়তে বৰষুণৰ বাবে বৰ্তমান খেলখন স্থগিত হৈ আছে।

০০০০

ঃঃ সমাপ্ত ঃঃ